**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-04-2024
**Time :** 1715 Hrs.

## *ASSAMESE EVENING BULLETIN*

:::::::::::::::::::::::::::::::::::

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ ৯ দিন থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিজেপি মিত্ৰজোঁটৰ কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যাপ্ৰসাদ তাছাৰ হৈ গোলঘাট জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে হোজাই আৰু দেৰগাঁৱত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। এই কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা, অজন্তা নেওগ, বিধায়ক ভৱেন্দ্ৰনাথ ভৰালীৰ উপৰি মিত্ৰজোঁটৰ কেইবাগৰাকী নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকী আজি বিয়লি নিৰ্বাচনী প্ৰচাৰৰ বাবে ডিব্ৰুগড়ত উপস্থিত হোৱাৰ কথা।

একেদৰে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ লাইপুলি মৰাণকাৰী গাঁও, মহাকালি চাহ বাগিচা আৰু নেপালি খেলপথাৰত প্ৰচাৰ চলায়। দৰং-ওদালগুৰি লোকসভা সমষ্টি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিলীপ শইকীয়াই আজি সমষ্টিটোৰ বিভিন্ন অঞ্চলত আয়োজিত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি ডিমৌ ৰজাবাৰী বাগিচাত প্ৰচাৰ চলায়। শ্ৰী গগৈয়ে প্ৰচাৰ অভিযানত ভাগ লৈ মনোনয়ন দাখিলৰ দিনাই জয়ী হোৱা বুলি মন্তব্য কৰে। কংগ্ৰেছ দলৰ আন এগৰাকী নেতা তথা প্ৰাক্তন মন্ত্ৰী এটোৱা মুণ্ডাই গহপুৰৰ বিভিন্ন চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত অংশ লয়। আনহাতে, বিপিএফ দলৰ খামফা বৰগঞাৰীয়ে আজি কোকৰাঝাৰৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়।

অসম জাতীয় পৰিষদ দলৰ নেতা তথা বিৰোধী ঐক্যমঞ্চৰ ডিব্ৰুগড় সমষ্টিৰ সমৰ্থিত প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে আজি বগীবিল গাঁও পঞ্চায়ত এলেকা, তিলৈ গ্ৰাম বজাৰ প্ৰেক্ষাগৃহ, কপৌ গাঁও খোৱাঙকে ধৰি কেইবাটাও স্থানত প্ৰচাৰ চলায়। ইপিনে বিৰোধী ঐক্যমঞ্চৰ অংশীদাৰ হিচাপে চি পি আই এম এল দলেও লুৰীণজ্যোতি গগৈৰ সমৰ্থনত তিনিচুকীয়াৰ চাহ জনগোষ্ঠী অধ্যুষিত অঞ্চলত প্ৰচাৰ চলায়।

তৃতীয় পৰ্যায়ত বৰপেটা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি সমষ্টিটোক কংগ্ৰেছ দলৰ প্ৰাৰ্থী দ্বীপ বায়নে বৰপেটাত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইপিনে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণিভূষণ চৌধুৰীয়ে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত সৰভোগত বিজেপিৰ এখন পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মঙলবাৰে তিনিচুকীয়াত এটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। ইপিনে, আম আদমী পাৰ্টিৰ নেত্ৰী তথা দিল্লী চৰকাৰৰ মন্ত্ৰী আতিশীয়েও কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছৰে পৰা যোৱা ২০ দিনৰ ভিতৰত **সুবিধা** প'ৰ্টেলযোগে ৭৩ হাজাৰৰো অধিক আবেদন লাভ কৰা হৈছে বুলি ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সুবিধা প'ৰ্টেলৰ জৰিয়তে নিৰ্বাচনী প্ৰচাৰৰ সময়ত সমাৰেশৰ আয়োজন, ৰাজনৈতিক দলৰ অস্থায়ী কাৰ্যালয় মুকলি, ঘৰে ঘৰে প্ৰচাৰ, ভিডিঅ' ভেন, হেলিকপ্টাৰ, বাহনৰ অনুজ্ঞাপত্ৰ লাভ কৰা আৰু প্ৰচাৰ সামগ্ৰী বিতৰণ কৰাৰ অনুমতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

আয়োগে কয় যে, এই পৰ্যন্ত লাভ কৰা ৭৩ হাজাৰ ৩৭৯ আবেদনৰ ভিতৰত ৪৪ হাজাৰ ৬২৬ খন আবেদন গ্ৰহণ কৰা হৈছে। আনহাতে, প্ৰায় ১১ হাজাৰ ২০০ খন আবেদন অগ্ৰাহ্য কৰা হৈছে আৰু ১০ হাজাৰ ৮১৯ খন আবেদন নাকচ কৰা হৈছে। আয়োগে কয় যে, নিৰ্বাচনী ব্যৱস্থাপনাৰ স্বচ্ছতা বজাই ৰখাৰ ক্ষেত্ৰত সুবিধা প'ৰ্টেলে সহায়কৰ ভূমিকা পালন কৰিছে। আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি সুবিধা পোৰ্টেলৰ জৰিয়তে তামিলনাডুৰ পৰা সৰ্বাধিক ২৩ হাজাৰ আবেদন লাভ কৰা হৈছে। এইক্ষেত্ৰত প্ৰায় ১২ হাজাৰ আবেদনৰে পশ্চিমবংগ দ্বিতীয় আৰু প্ৰায় ১০ হাজাৰ আবেদনৰে মধ্য প্ৰদেশ তৃতীয় স্থানত আছে। আয়োগে লগতে প্ৰকাশ কৰা মতে, সুবিধা পৰ্টেল স্বতন্ত্ৰ, নিৰপেক্ষ আৰু স্বচ্ছ নিৰ্বাচনৰ গণতান্ত্ৰিক আদৰ্শ মানি সকলোকে সমান সুযোগ প্ৰদানৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে বিকাশ সাধন কৰা এটা প্ৰযুক্তি। ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰৰ অনুমতিৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে অনলাইন আবেদন তথা অনুৰোধ কৰিব পাৰে। এইক্ষেত্ৰত সকলো পক্ষকে সমান সুযোগ উপলব্ধ কৰোৱাৰ বাবে অফলাইন পদ্ধতিৰেও আবেদন কৰিব পৰা যায় বুলিও আয়োগে প্ৰকাশ কৰে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে ৰাজ্যজুৰি ভোটদাতাসকলৰ বাবে সজাগতা কাৰ্যসূচীৰ আয়োজনকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বাক্সা জিলাৰ বিভিন্ন ঠাইত আজি নিৰ্বাচনী সজাগতামূলক কেইবাখনো সভা অনুষ্ঠিত হয়। ইয়াৰে কেইখনমান সভাত সংগীত শিল্পী মণিষা হাজৰিকাৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ লয়। কাৰ্যসূচীসমূহৰ জৰিয়তে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ গুৰুত্ব সন্দৰ্ভত জনসাধাৰণক সজাগ কৰা হয়। তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ৰ বাকৰিতো চাৰি শতাধিক শিক্ষাৰ্থীক লৈ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ অৰ্থাৎ ছুইপ বাহনৰ সহায়ত সজাগতামূলক সভাৰ আয়োজন কৰা হয়। তামুলপুৰ জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে।

কামৰূপ নিৰ্বাচনী জিলাত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে তৎপৰতা অব্যাহত ৰাখিছে। জিলা আয়ুক্ত কীৰ্তি জল্লীয়ে প্ৰকাশ কৰা মতে, কামৰূপ নিৰ্বাচনী জিলাৰ ৩টা বিধানসভা সমষ্টি ক্ৰমে চহৰীয়া, বকো-ছয়গাঁও আৰু পলাশবাৰী গুৱাহাটী লোকসভা সমষ্টিত আৰু হাজো-শুৱালকুছি সমষ্টি বৰপেটা লোকসভা সমষ্টিৰ অধীনত আছে। ৭ মে'ত হ'বলগীয়া এই নিৰ্বাচনত মুঠ ৮ লাখ ৩৪ হাজাৰ ৪৬৮ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ভোটগ্ৰহণ স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ সকলো প্ৰস্তুতি লোৱা হৈছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

আজি বিশ্ব স্বাস্থ্য দিৱস। সু-স্বাস্থ্যৰ প্ৰতি সমগ্ৰ বিশ্বজুৰি সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ৭ এপ্ৰিলৰ দিনটোত বিশ্ব স্বাস্থ্য দিৱস হিচাপে পালন কৰা হয়। বিশ্ব স্বাস্থ্য সংস্থাই এইবেলি **মোৰ স্বাস্থ্য মোৰ অধিকাৰ** এই দিৱসৰ মূল বিষয়বস্তু হিচাপে থিৰাং কৰিছে।

০০০০০০০০

ঃসমাপ্তঃ